# Historia



It is my greatest pleasure to say that the students from the department of history, Duliajan college has taken the initiative to bring out the latest edition of the departmental hand written magazine "Historia".

The enthusiasm and constructive teamwork that the students have shown while achieving the task in a very short span of time is really commendable.

I also want to appreciate the members of the history department for their support and respected authorities of the college for giving the students the platform to express their feelings and passion in a colour ful way.

R. [illegible]

# Content


১. সম্পাদকীয় কলম
২. নাৰী (প্ৰবন্ধ)
৩. অন্তৰীক্ষত দেৱী (কবিতা)
৪. এটি নাৰীৰ কাহিনী (প্ৰবন্ধ)
৫. প্ৰাচীন শিকলিত আবদ্ধ নাৰী (প্ৰবন্ধ)
৬. প্ৰাচীন সমাজত নাৰীৰ জীৱন (প্ৰবন্ধ)
৭. অন্ধকাৰ যুগত নাৰী (প্ৰবন্ধ)
৮. লিং ভেদ সংগ্ৰাম (প্ৰবন্ধ)
৯. জাগৰণৰ সূৰ্যোদয় (প্ৰবন্ধ)
১০. পৰিৱৰ্তনৰ আৰম্ভণি (প্ৰবন্ধ)
১১. শক্তিৰ দিশে আগবঢ়া (প্ৰবন্ধ)
১২. স্বাধীনতা যুগত নাৰী (প্ৰবন্ধ)
১৩. দেশৰ বাবে আত্মবলিদান (প্ৰবন্ধ)
১৪. আকাংক্ষা পূৰণৰ চেষ্টা (প্ৰবন্ধ)
১৫. সপোনৰ পৰা সফলতালৈ (প্ৰবন্ধ)
১৬. সংগ্ৰাম এতিয়াও চলন্ত (প্ৰবন্ধ)
১৭. অন্ধকাৰৰ অন্তঃ শিখা (কবিতা)
১৮. মহৎ লোকৰ বাণী
১৯. কুইজ
২০. আঁখৰ
২১. Art Section

# Editoreal Board



Editor —

Kaushik Swargari

Hand Writting-

Priya Sharma, Satbrajit Gogoi, Rishi Konwar, Archana Sonowal

Cover page -

Rishi Konwar, Bidyut Acharya

Special Thanks -

Uday Gogoi, Priyarani Sonowal, Abhijit Gogoi, Trinayana Mech, Nilom Kumari Upadhyay, Sonam Thapa, Hun Jalê, Aman Bhattacharjee, Gunjan Mech, Gautam Mech, Chandan Saikia.

## সম্পাদকীয় একলম.....

আজি আমাৰ হাতেলিখা আলোচনী 'Historia'ৰ এই আলোচনীখন আপোনালোকৰ হাতত তুলি দিবলৈ পাই আমি বহু আনন্দিত হৈছোঁ। যান্ত্ৰিকতাৰ এই যুগত নিজৰ মনৰ খেৰমেৰ কলমৰ চিয়াঁহীৰে কাগজত নিগৰাই তোলাৰ যি মাদকতা, সেয়া সচাঁকৈয়ে অতুলনীয়।

আমাৰ এই ক্ষুদ্ৰ প্ৰয়াসৰ মূল উদ্দেশ্য হ'ল লুকাই থকা প্ৰতিভাবোৰক এটা মঞ্চ দিয়া। ইয়াত নিহিত হৈ আছে, আমাৰ লেখক-লেখিকাসকলৰ কেঁচা হাতৰ আখৰ আৰু তেওঁলো-কৰ নিৰ্ভেজ চিন্তা-চৰ্চা। আলোচনীখনৰ প্ৰতিটো পৃষ্ঠাত আবেগ, গল্পৰ মাদকতা আৰু বিবিধ প্ৰবন্ধৰ গভীৰতা।

আমি জানো যে কামটো কৰোঁতে আমাৰ বহুত সীমাবদ্ধতা আছিল আৰু কিছু ত্ৰুটি ৰৈ যোৱাটোও স্বাভাৱিক। তথাপিও, আপোনালোকৰ মৰম আৰু সহাঁৰিয়ে আমাক ভৱিষ্যতে ইয়াতকৈও উন্নত কাম কৰিবলৈ অনুপ্ৰাণিত কৰিব।

শেষত, যিসকলৰ লেখা আৰু কঠোৰ পৰিশ্ৰমৰ অবিহনে এই আলোচনীখন সম্ভৱ নহ'লহেঁতেন, তেওঁলোক সকলোকে ধন্যবাদ জনালোঁ। আশা কৰোঁ, আমাৰ এই হাতেলিখা সম্ভাৰটিয়ে আপোনালোকৰ মন ৰঞ্জন কৰিব।

ধন্যবাদেৰে —

কৌশিক স্বৰ্গীয়াৰী

সম্পাদক

'Historia'

# নাৰী

নাৰী হৈছে সমাজৰ আধাৰশিলা আৰু সমাজৰ উন্নতিৰ লগতে নাৰীৰ অৱস্থা গভীৰভাৱে জড়িত। ইতিহাসৰ পাতত দৃষ্টিপাত কৰিলে দেখা যায় যে প্ৰাচীন কালত নাৰীৰ স্থান কেতিয়াবা সন্মানজনক আছিল যদিও বহু ক্ষেত্ৰত তেওঁলোক সামাজিক নিয়ম আৰু সীমাবদ্ধতাৰ মাজত আবদ্ধ হৈ আছিল। মধ্যযুগত এই অৱস্থা অধিক কঠিন হৈ পৰিছিল আৰু নাৰীৰ স্বাধীনতা অধিক স্থানান্তৰ হৈ হ্ৰাস পাইছিল।

আধুনিক যুগত শিক্ষা, সমাজ সংস্কাৰ আৰু আইনী অধিকাৰৰ ফলত নাৰীৰ জীৱনত এক নতুন যাত্ৰাৰ সূচনা হয়। আজি নাৰীয়ে কেৱল ঘৰুৱা দায়িত্বতে সীমাবদ্ধ নহয়, বৰং ৰাজনীতি, শিক্ষা, বিজ্ঞান, খেলাধূলা আদি সকলো ক্ষেত্ৰতে নিজৰ প্ৰতিভা আৰু সামৰ্থ্য প্ৰদৰ্শন কৰি সমাজৰ অগ্ৰগতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই নতুন যাত্ৰাই নাৰীৰ শক্তি, সাহস আৰু আত্মবিশ্বাসৰ এক উজ্জ্বল দৃষ্টান্ত দাঙি ধৰে।

— বিচি কোঁৱৰ

# অন্তৰীক্ষত দেৱী

নিস্তব্ধতাৰ গহ্বৰেদি তোমাৰ উপস্থিতি
এটা অনন্ত অনুৰণনৰ দৰে বিস্তাৰিত —
চেতনাৰ অন্তৰালৰ তুমি
অলিখিত শক্তিৰ গুপ্ত সংহিতা ।

তুমি কোনো মূৰ্তিৰ সীমাবদ্ধতা
নহয়, তুমি তত্ত্ব —
প্ৰকৃতিৰ অন্তৰ্দৌ স্পন্দন,
সময়ৰ স্নায়ুত বোৱা নীৰৱ জ্যোতি ।

যেতিয়া বিশ্ব ক্লান্তিৰ ক্ৰন্দন
সংগীতে থাকি পৰে,
তেতিয়া তোমাৰেই অন্তৰ্নিহিত তেজ
আঁধাৰৰ গৰ্ভত সৃষ্টিৰ বীজ সিঁচে —
এটা পুনৰ্জন্মৰ নিঃশব্দ প্ৰতিজ্ঞা ।

হে দেৱী,
তোমাৰ নাম কোনো উচ্চাৰণ
নহয়, এটা উপলব্ধি —
যি সময়ৰ সীমা অতিক্ৰম কৰি
আত্মাৰ গভীৰতাত প্ৰতিধ্বনি তোলে ।

তুমি সৃষ্টিৰ আদিম প্ৰশ্ন,
আৰু তুমিয়েই তাৰ চিৰন্তন উত্তৰ —
এক নিৰাকাৰ চেতনা,
য'ত সকলো আৰম্ভ হয়,
আৰু সকলো বিলীন হয় ।

— ৰিচি কোঁৱৰ



# এটি নাৰীৰ কাহিনী

মানৱ সভ্যতাৰ আৰম্ভণিৰে পৰাই নাৰীৰ কাহিনী আৰম্ভ হৈছে। সৃষ্টি আৰু জীৱনৰ ধাৰাবাহিকতা ৰক্ষাত নাৰীয়ে এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰাচীন সমাজত নাৰীক মাক, গৃহিনী তথা সাংস্কৃতিৰ বাহক হিচাপে গণ্য কৰা হয়। যদিও তেওঁলোকৰ অৱদান অত্যন্ত মূল্যবান আছিল যদিও তেওঁলোকৰ স্বাধীনতা আৰু অধিকাৰ বহুলাংশে সীমিত আছিল। সময়ৰ লগে লগে সমাজৰ পৰিৱৰ্তন ঘটাৰ সৈতে নাৰীৰ জীৱনতো বহু পৰিৱৰ্তন আহে। এই কাহিনীয়ে দুখ-কষ্ট, সংগ্ৰাম আৰু সফলতাৰ মাজেৰে আগবাঢ়ি অহা এক দীঘল যাত্ৰাৰ প্ৰতিফলন দিয়ে, য'ত নাৰীয়ে নিজৰ স্থান আৰু পৰিচয় প্ৰতিষ্ঠা কৰিবলৈ অবিৰত চেষ্টা কৰি আহিছে।

সময়ৰ লগে লগে সমাজত পৰিৱৰ্তন আহিবলৈ ধৰিলে আৰু তাৰ লগে লগে নাৰীৰ জীৱনতো নতুন দিশ উন্মোচিত হ'ল। কিছুমান সময়ত নাৰীয়ে শিক্ষা আৰু জ্ঞান লাভ কৰাৰ সুযোগ পাইছিল, কিন্তু বহু ক্ষেত্ৰত তেওঁলোক সামাজিক বাধাৰ মাজত আবদ্ধ হৈ থাকিছিল। তথাপিও নাৰী কেতিয়াও থমকি নাথাকিল; তেওঁলোকে নিজৰ স্থান আৰু পৰিচয় প্ৰতিষ্ঠা কৰিবলৈ সদায় চেষ্টা কৰি আহিছে।

সমাজত কিছুমান অংশত এতিয়াও নাৰীয়ে বৈষম্য আৰু অন্যায়ৰ সন্মুখীন হয়। শিক্ষা স্বাৱলম্বিতা আৰু সচেতনতা নাৰীৰ শক্তি বৃদ্ধিৰ মূল উপায়। যেতিয়া নাৰী শক্তিশালী হয়, তেতিয়া এখন সমাজো উন্নত হয়। আজিৰ যুগত নাৰীসকল আগবাঢ়িছে - নিজৰ অধিকাৰ জানিছে, নিজৰ সপোন পূৰণ কৰিছে। এইটো স্পষ্ট যে নাৰী কেৱল ঘৰতে সীমাবদ্ধ নহয়, তেওঁ সকলো ক্ষেত্ৰতে সমানভাৱে আগবাঢ়ি যাব পাৰে।

এইদৰে নাৰীৰ কাহিনী হৈছে এক দীঘলীয়া যাত্ৰা, য'ত সাহস, সহনশীলতা আৰু আত্মবিশ্বাস স্পষ্টকৈ দেখা যায়। এই কাহিনী আমাৰ সমাজত

# প্ৰাচীন শিকলিত আবদ্ধ নাৰী

প্ৰাচীন যুগত নাৰীৰ স্থান কেতিয়াবা সন্মানজনক বুলি গণ্য কৰা হৈছিল, কিন্তু অধিকাংশ ক্ষেত্ৰত তেওঁলোকে সামাজিক প্ৰথা আৰু নিয়মৰ শিকলিত আবদ্ধ হৈ আছিল। সেই সময়ত সমাজ খন পুৰুষ প্ৰধান আছিল, য'ত নাৰীৰ ভূমিকা মূলত: ঘৰুৱা কাম-কাজ আৰু পৰিয়ালৰ যত্ন লোৱাৰ মাজতেই সীমাবদ্ধ আছিল। তেওঁলোকৰ জীৱন কিন্তু, স্বামী বা পৰিয়ালৰ অন্য পুৰুষ সদস্যৰ নিয়ন্ত্ৰণত চলিছিল।

নাৰীৰ স্বাধীনতা আৰু অধিকাৰ অত্যন্ত সীমিত আছিল। শিক্ষা লাভ কৰাৰ সুযোগ খুব কম আছিল আৰু বহু ক্ষেত্ৰত তেওঁলোকৰ মতামত সমাজত গুৰুত্ব পোৱা নাছিল। কিছুমান সমাজত কুসংস্কাৰ আৰু কঠোৰ সামাজিক নিয়মে নাৰীৰ জীৱন অধিক কঠিন কৰি তুলিছিল।

যদিও কিছুমান সময়ত নাৰীয়ে অলপ সন্মান লাভ কৰিছিল, তথাপিও সাধাৰণভাৱে তেওঁলোক প্ৰথাৰ শিকলিত আবদ্ধ হৈ আছিল। এই অৱস্থাই দেখুৱায় যে প্ৰাচীন যুগত নাৰীৰ জীৱন কিমান সীমাবদ্ধ আছিল আৰু তেওঁলোকে নীৰৱভাৱে বহু বাধা সহ্য কৰি জীৱন যাপন কৰিছিল।

- গুঞ্জন মেচ

# প্ৰাচীন সমাজত নাৰীৰ জীৱন

প্ৰাচীন সমাজত নাৰীৰ জীৱন বহুলাংশে পৰিয়াল আৰু ঘৰুৱা কাৰ্যকলাপৰ মাজতেই সীমাবদ্ধ আছিল। সেই সময়ত সমাজখন পুৰুষ প্ৰধান আছিল, যাৰ ফলত নাৰীৰ স্থান আৰু অধিকাৰ সীমিত আছিল, যাৰ ফলত প্ৰভাৱ পশ্চিকালিতো আবদ্ধ হৈ আছিল।

নাৰীৰ মূল দায়িত্ব আছিল ঘৰ-সংসাৰ চলোৱা, সন্তান লালন-পালন কৰা আৰু পৰিয়ালৰ যত্ন লোৱা। তেওঁলোকক মাতৃ আৰু গৃহিণী হিচাপে সন্মান দিয়া হৈছিল। যদিও ব্যক্তিগত স্বাধীনতা খুব কম আছিল কিছুমান প্ৰাচীন সময়ত, বিশেষকৈ বৈদিক যুগত, কিছুমান নাৰীয়ে শিক্ষা লাভ কৰাৰ সুযোগ পাইছিল আৰু ধৰ্মীয় কাৰ্যকলাপত অংশগ্ৰহণ কৰিছিল। যদিও এই সুবিধা সকলো নাৰীৰ বাবে উপলব্ধ নাছিল। অধিকাংশ নাৰী শিক্ষা আৰু সামাজিক সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত পিচ পৰা আছিল।

সমাজত বিভিন্ন নীতি-নিয়ম আৰু কু-সংস্কাৰে নাৰীৰ জীৱন অধিক কঠিন কৰি তুলিছিল। তেওঁলোকৰ জীৱন পিতৃ বা স্বামীৰ নিয়ন্ত্ৰণত চলিছিল আৰু নিজৰ মতামত প্ৰকাশ কৰাৰ সুযোগ কম আছিল। সেয়েহে, প্ৰাচীন সমাজত নাৰীৰ জীৱন সন্মান আৰু সীমাবদ্ধতাৰ এক মিশ্ৰ ৰূপ আছিল, য'ত তেওঁলোকে বহু বাধা সত্ত্বেও নিজৰ দায়িত্ব পালন কৰি গৈছিল।

- প্ৰিয়া শৰ্মা